পৰিচিত, সেই চাহ-বাগিচাৰ জীৱন লৈয়েনো কেইখন অসমীয়া নাটক-উপন্যাস এতিয়ালৈকে ৰচিত হৈছে? অথচ দুৰ্গাপ্ৰসাদৰ "মহৰি" নাটকেই নেদেখুৱায় নে তেনে বিষয়ৰ কেনে বিতোপন নাটক অসমীয়াত লিখা হব পাৰে?

কিন্তু এনে বিষয়ৰ নাটক-উপন্যাস চুটি-সাধু আমাক লাগে বুলি লিখনী ধৰিলেই আমাক লগা নাটক-উপন্যাস চুটি-সাধু নোলায়; আৰু সামাজিক জীৱনৰ প্ৰতিচ্ছবি যন্ত্ৰৰ সহায়েৰে লোৱা প্ৰতিকৃতিও নহয়, শিল্পীৰ মনৰ ভিতৰেদি সমাজৰ গভীৰ অধ্যয়ন আৰু সহানুভূতি উমনিত তাৰ জনম হব লাগিব। সেয়ে নহলে তেনে চৰিত্ৰবোৰ গৰাকিৰ হাতৰ পুতলাৰ দৰে লৰচৰ কৰে, কিন্তু সমাজৰ লোকৰ দৰে জীৱন্ত নহয়। উদাহৰণ স্বৰূপে, জ্যোতিপ্ৰসাদৰ নাটকৰ নায়কবোৰ তেওঁৰ দৰেই দুঃসাহসিক আৰু নায়িকাবোৰ তেওঁৰ কথা-ছৱিৰ নায়িকাবোৰৰ দৰে নৱ-প্ৰয়াসী: কিন্তু সমাজত তেনে লোক বিৰল। দৈৱচন্দ্ৰৰ "বিপ্লৱ"ত খেতিয়কে জমিদাৰৰ বিৰুদ্ধে সফল অভিযান কৰিলে; কিন্তু অসম বিশেষভাৱে খেতিয়কৰ দেশ, জমিদাৰৰ নহয়। আনৰ চহোৱা মাটিত নদন-বদন শস্য কৰিবলৈ চোৱাতকৈ আমাৰ ছন্ পৰি কটুৰ হৈ থকা মাটি অলপ দুখ কৰি চাহ নকৰোঁহঁক কিয়? বুদ্ধিৰ জোখ-কাঠি সুবিধা নহয়, সাহসহে।

বৰ্ত্তমান নাটক-উপন্যাস চুটি-সাধুত নাঙঠ বৰ্ণনাও বিনা-মেঘে বজ্ৰপাত যে নহয়, উল্লিখিত "সাধনা" উপন্যাসেই তাৰ প্ৰমাণ। যোৱা দেড়কুৰি বছৰত এই নাঙঠ-বৰ্ণনাই বাস্তৱবাদৰ নামত এনেবোৰ সাহিত্যৰ সঙ্কেত-বাক্যৰ দৰে হল; আৰু ফ্ৰয়েদ্ মোপাছাঁ তেওঁলোকৰ ইষ্ট দেৱতা স্বৰূপ হল। দেৱতাৰ দৰে শিশুৰ বিষয়তো, আমি জানো, নাঙঠ গুণ ঘৃণনীয়তকৈ পূজনীয়হে হয়, যদি সি পাপ-বৰ্জিত হয়। শঙ্কৰদেৱৰ "কীৰ্ত্তন"ৰ "হৰমোহন" "ৰাসক্ৰীড়া"ত নাঙঠ বৰ্ণনা যথেষ্ট আছে, কিন্তু সি শ্ৰেষ্ঠ ধৰ্মশাস্ত্ৰ; গতিকে নাঙঠ গুণ থকা-নথকা লৈ বিচাৰ নহয়, বিচাৰ হয় লেখকে তাক কিভাৱে ব্যৱহাৰ কৰিছে। খহতা জীৱন আৰু মৃত্যুৰে মোপাছাঁ ভাৰতীয় সাহিত্য শিল্পীৰ আদৰ্শ হব লগা পুতৌৰ কথা সন্দেহ নাই; কাম আৰু লোভেই যাৰ পৰিচালক তেনে নৰ-পশুৰ মাজত বাস কৰা দুৰ্ভাগ্যৰ বাবেই যে মোপাছাঁৰ শক্তিৰ এনে অপব্যৱহাৰ ঘটিছিল তাক পাহৰিব নালাগে।

জীৱিত সাহিত্যই সদায় জীৱনৰ পৰাই পোনে পোনে পোৱা মেলে; আৰু

জীৱন মানে সুস্থ স্বাভাৱিক জাতীয় জীৱন বুজিব লাগিব। এই নতুন নাটক-গল্প চুটি-সাধু লেখকবিলাকৰ বৰ্ণনাৰ জনতা সুস্থ অসমীয়া সমাজ নহয়, অসমীয়া সমাজৰ মানসিক ক্ষয়-ৰোগগ্ৰস্ত বিত্তৰীয়া এটা ক্ষুদ্ৰ অংশমাত্ৰ। এনে ভেজাল নোহোৱা ভাৰতীয় তথা অসমীয়া সমাজৰ চিত্ৰ আঁকিবলৈ লগে তেওঁলোক দোধোৰ-মোৰত পৰে; কিয়নো সেই সমাজে তেওঁলোকক প্ৰকৃততে আকৰ্ষণ কৰা নাই আৰু সেইদেখি তেওঁলোকৰ জীৱন-দৰ্শন বুজিবলৈ তেওঁলোক অপাৰগ হৈ পৰে। নিম্ন মধ্যবিত্ত অসমীয়া সমাজৰ সমস্যাৰ সমাধান আদি দেখুৱাবলৈ যত্ন কৰিও গভীৰ অধ্যয়ন আৰু আন্তৰিকতাৰ অভাৱত তেওঁলোক বিফল হব লগাত পৰে; কিয়নো বুদ্ধিক যিমানেই শানত দিয়া হওক, অন্তৰে চাকি নিকা নকৰিলে সাহিত্যৰ যৌ বিতৰণৰ উপযোগী নহয়। লক্ষ্মীনাথ শৰতচন্দ্ৰ আদিৰ উপৰি উত্তৰ-নৱন্যাসৰ লেখক মহীচন্দ্ৰৰ "মিতাৰ্ ঘৰৰ" আদি সাধুত অসমীয়া নিম্ন মধ্যবিত্ত সমাজৰ চিত্ৰ ধৰা পৰে।

পদ্যতকৈ গদ্য সদায় পৰবৰ্তী আৰু যত্নসাধ্য। "অৰুনোদই" যুগৰ পৰা "বাঁহী"ৰ যুগলৈকে গছাল লেখকসকলৰ যত্নত অসমীয়া গদ্যৰ যি ৰীতি সুৱলা হৈ চলি আহিছে, উত্তৰ-নৱন্যাসৰ লেখক সূৰ্য্যকুমাৰ আৰু বেণুধৰ আদিৰ ঐতিহাসিক প্ৰাঞ্জলতা, বাণীকান্ত আৰু ডিম্বেশ্বৰ প্ৰভৃতিৰ কবিত্বসুলভ কমনীয়তা, জ্ঞাননাথ আৰু নীলমণি আদিৰ যুক্তি-নীতিমূলক ৰচনাৰে সি ধাৰ-নিছিগা সোঁতেৰে বৈ আহিছিল। কিন্তু তাৰ পাছৰ লেখকসমূহৰ ভাষা-চৰ্চ্চাৰ অভাৱৰ বাবে অসমীয়া গদ্যৰ নিমজ গতিৰ ঠাইত খহতা স্বভাৱ ধৰা-পৰা হৈছে; কিয়নো পদ্যৰ দৰে গদ্য আবেগৰ প্ৰকাশ মাত্ৰ হব নোৱাৰে। লক্ষ্মীনাথৰ "শঙ্কৰদেৱৰ" (১৯১১) পাছত ডিম্বেশ্বৰৰ "জিলিঙনিয়ে" (১৯৩৮) অসমীয়া সাহিত্যৰ কবিত্ব-সুলভ সৌন্দৰ্য্য আৰু বাণীকান্তৰ "পুৰণি সাহিত্য"ই (১৯৪২) তাৰ পাণ্ডিত্যপূৰ্ণ ব্যাখ্যা দাঙি ধৰে। কিন্তু সম্প্ৰতি সাহিত্য-সমালোচনা উদ্ধও; ইংৰাজী সাহিত্য সমালোচনাৰ অ'ৰ ত'ৰ দুফাকি কথা তুলি দিব পাৰিলেই বাটৰ বাটৰুৱাও অসমীয়া সাহিত্যৰ সমালোচক! আগেয়ে হেমচন্দ্ৰ, গুণাভিৰাম, লক্ষ্মীনাথকে ধৰি আগৰ আলোচনী-সম্পাদক আছিল অধিনায়কৰ সম্মানিত আসনৰ পৰা; আৰু এই কালছোৱাত সাধাৰণতে সেই ঠাই পূৰণ কৰিছে ব্যৱসায়-প্ৰয়াসী বা জীৱিকাৰ্থীয়ে। গতিকে ভাষা বা সাহিত্য সম্পৰ্কে পৰিচালনা-সমালোচনা কোন দৰৰ হব তাক সহজে অনুমান

কৰিব পাৰি। লোণে আৰু ক'ৰ পৰা ব্যঞ্জন সোৱাদ কৰিব লোণতেই যেতিয়া সোৱাদ নাই!

বৰ্তমান অসমীয়া সাহিত্যৰ প্ৰধান অভিশাপ হ'ল ব্যক্তিক পৰ্যায়ৰ পৰা কেন্দ্ৰীয় পৰ্যায়লৈকে সকলোতে প্ৰকৃত সৃজনীমূলক প্ৰতিভাক একলীয়া কৰি দ্বিতীয়-তৃতীয় শ্ৰেণীৰ লেখক বা সাহিত্য-জীৱিকাৰ্থীৰ দ্বাৰা পৰস্পৰ-শলাগনিৰ 'প্ৰাইভেট্ লিমিটেড্ কম্পেনী' গঠন। সাহিত্য-ব্যৱসায়ো তেনে লোকেই এক-স্বত্বীয়া কৰি লোৱাৰ ফলত পৱিত্ৰ জ্ঞান-সাধনা আৰু সত্য-অন্বেষণ সাহিত্যৰ মূলধন ৰূপে বিলুপ্ত হৈ সাহিত্যক্ষেত্ৰ সত্যৰ অপলাপৰ আৰু অসত্যৰ প্ৰচাৰৰ ঠাই হৈ পৰিছে: এই বিষয়ে সমাজ-বিবেক জাগ্ৰত হবৰ কাল কেতিয়াবাই আহিল।

প্লেটই তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ পৰা কবিতাক নিৰ্বাসন দিছিল, যদিও তেওঁ নিজে এজন লেখৰ কবি আছিল আৰু এটি কৱিতাৰে তেওঁৰ সেই বিষয়ৰ গ্ৰন্থৰ সামৰণি মাৰিছিল। তেওঁ আশোৱাহ ধৰিছিল, কবিতা তথা সাহিত্যই সাধাৰণতে অসত্যক আশ্ৰয় দিয়ে আৰু তাৰ পৰা সমাজ পতনমুখী হয়। ভাৰতীয় তথা অসমীয়া সাহিত্যই আজি সেই পতন-মুখী বাটত ৰাষ্ট্ৰক পৰিচালিত কৰিছে: ৰাষ্ট্ৰই এতিয়া তালৈ চকু দিবৰ হল।

পাৰস্তীয় সাহিত্যৰ যশস্বী ঐতিহাসিক এড্ৱাৰ্ড ব্ৰাউনে সকলো সাহিত্যৰ বাবে এটি অতি লাগতিয়াল ইঙ্গিত বা সঙ্কেত-বাণী শুনাইছে বোলে ভাষাৰ শুদ্ধতাৰ হ্ৰাস আৰু জাতিৰ অৱনতিৰ মাজত কিবা অন্তৰঙ্গ সম্পৰ্ক থকা সদায় দেখিবলৈ পোৱা হয়। হেষ্টিংছৰ যুদ্ধৰ আগত এংলো-ছেক্সন ভাষা প্ৰায়ে শুদ্ধৰূপে লিখা নহৈছিল, আৰু নৰ্মান্ মাৰনৰ আগে আগে সেই ভাষাত ভালকৈয়ে ক্ষয়-ৰোগ সোমাইছিল। ঠিক তেনেকৈয়ে আৱেষ্টাৰ প্ৰাচীন পাৰস্তী ভাষা লেৰেলি যোৱাৰ লগে লগে মজ্দীয়া ধৰ্মৰ অধঃপতন আৰম্ভ হল, কঠোৰ একশৰণ মজ্দীয়া ধৰ্মত অহুৰ মজ্দা আৰু একেশ্বৰ হৈ নাথাকিল—মিথ্ৰ (সূৰ্য্য), ঊহিত (শুক্ৰ) আদি অন্য দেৱতাই অহুৰ মজ্দাৰ লগত শাৰী পাতিলে! এই ঘটনাৰ লগত অসমীয়া ভাষা আৰু মহাপুৰুষীয়া ধৰ্মৰ বিজনি বঢ়িয়াকৈ খাটে; বৰ্ত্তমান অসমীয়া ভাষাৰ শুদ্ধতা হ্ৰাসৰ লৈতে মহাপুৰুষৰ লগত অন্য দেৱী-দেৱ সুমুৱাবৰ পুনঃ পুনঃ অপচেষ্টা মন কৰিব লগীয়া। চাপৰিলে মেঘ নেৰায়: ই নিৰ্দয় হলেও অটুট সত্য।

# অসমীয়া সাহিত্যৰ বৰ্তমান আৰু ভৱিষ্যত

মহাৰাণী ভিক্টৰিয়াৰ মৃত্যুৰ দহ-পোন্ধৰ বছৰৰ আগৰ পৰা যেনেকৈ ভিক্টৰিয়া যুগৰ নৈষ্ঠিকতা লাহে লাহে জহি-খহি যাবলৈ ধৰিছিল, লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যুৰো ন-দহ বছৰৰ আগৰ পৰা সেইদৰে অসমীয়া সাহিত্যৰ বেজবৰুৱা যুগৰ নীতি-নিয়মবোৰ ভাগিব-ছিগিবলৈ আৰম্ভ কৰিছিল, আৰু ১৯২৯কে আমি তাৰ প্ৰাৰম্ভ কাল বুলিছোঁ। এহাতে ইংৰাজী আৰু বঙলা সাহিত্যৰ ভিতৰেদি অহা যাইকৈ যোপাছা আৰু ফ্ৰয়ডীয় প্ৰভাৱ আৰু ইহাতে দলীয় ৰাজনীতিৰ হেচা লগ লাগি আগৰ বেজবৰুৱাৰ নৈতিক শাসনৰ বিৰুদ্ধবাদী দলটোক এতিয়া উচটনি দিলে; আৰু গুৱাহাটীৰ পৰা নকৈ ওলোৱা দুই-এখন আলোচনীৰ আশে-পাশে তেওঁলোকে ৰণচালি পাতিলে। ইয়াৰ বেয়া-ভাল দুইটা ফলেই অচিৰে দেখা দিলে; বেয়াৰ ফালত বিশেষ অধ্যয়ন-একাগ্ৰতা নোহোৱাকৈও যেয়ে সেয়ে সাহিত্য-ক্ষেত্ৰত নামিবলৈ লাই পালে, আৰু ভালৰ ফালত অলপ-অচৰপ চৰ্চ্চা থাকিলেও নিন্দাৰ ভয়ত কুচিমুচি থকা এচাম লেখক আগবাঢ়ি ওলাই আহিল। এই নতুন প্ৰচেষ্টাৰ আটাইতকৈ লেখত ল'ব লগা গুণ হ'ল এতিয়াৰ পৰা অভাৱনীয়ৰূপে অসমীয়া সাহিত্যৰ পৰিসৰ বাঢ়িল; আৰু তাৰ নগৰীয়া সমাজতকৈ বৰ দোষৰ ভিতৰত হ'ল ভাষা-সাহিত্যৰ তেনেই তৰাং জ্ঞান লৈও নতুন দুটা কৌশল-কিটিপ্ শিকিয়ে নিজক সাহিত্যৰ অধিকাৰী বুলি ভবা এটা অহম্মিকা বহুতৰ গাত লম্ভিবলৈ ধৰিলে।

এই অৱস্থাৰ সোতৰ-ওঠৰ বছৰৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাত তাতো অসমীয়া পাঠ্য-আদি লৈ এটা উপদল গঠিত হ'ল। অসমীয়া সাহিত্যত আগতে কোন বিষয়ত কি কাম হৈছে-নহৈছে তাক নাজানি আৰু জানিবৰ যত্নও নকৰি 'গৱেষণা' কাৰ্য চলোৱাত সৰহভাগ কাম 'চৰ্বিত-চৰ্বণ' হ'লেও ইয়াৰ যোগে এতিয়াও যথেষ্ট লাগতিয়াল কাম কৰিব পাৰি। অসমৰ বিশ্ববিদ্যালয়ত অসমীয়া সাহিত্য-চৰ্চ্চাৰ মানদণ্ড যেনে উন্নত হব লাগিছিল তেনে নোহোৱাৰ কাৰণবোৰ দূৰ কৰি এতিয়াও জাতিৰ উন্নতি সাধনত ব্ৰতী হবৰ উপায় আছে। গৱেষণাৰ দৰে অসমীয়া সাহিত্যৰ সমালোচনা-ক্ষেত্ৰতো এই বিশ্ববিদ্যালয়ৰ পৰা যেনে গধুৰ বৰঙণি পাব লাগিছিল তাৰ পৰা অসমীয়া সাহিত্য আজিও বঞ্চিত।

অৱশ্যে জগত জুৰি বাতৰি-কাকতৰ প্ৰভাৱ বিয়পি পৰাৰ হেতুকে তাৰ ভাল বেয়া স্বভাৱো জগতৰ সাহিত্যৰ ওপৰত পৰিছে, আৰু অসমীয়া সাহিত্যও তাৰ দোষ-গুণৰ ভাগী নহৈ পৰা নাই। বাতৰি-কাকতৰ প্ৰভাৱৰ দোষৰ ভিতৰত যেনেকৈ চেলেং-পেটেং সমালোচনা আৰু হৈ-চৈ কৰা স্বভাৱ, তাৰ গুণৰ ভিতৰত থূৰলি-কুঁৱলী বিৱৰণৰ ঠাইত বস্তুমুখী দৃষ্টিৰ প্ৰভাৱ। বাতৰি-কাকতৰ দোষ এৰি গুণৰ ভাগ যাতে অসমীয়া সাহিত্যত সোমাব পাৰে তাৰ যত্নৰ প্ৰয়োজন। তদুপৰি বাতৰি-কাকতৰ এটা বিশেষ স্বভাৱ হল তাৰ ক্ষণস্থায়িত্ব; তাৰ এই প্ৰভাৱত বৰ্ত্তমান অসমীয়া সৰহখিনি সাহিত্যই তেনে জাতৰ হৈছে; কিন্তু আশা কৰিব পাৰি বিশেষ গুণী লেখকৰ হাতত এই সাহিত্যৰ এটি ভাগে তুলনাত স্থায়ী ৰূপ পাব।

**নতুন কবিতা** ৰচনাত হেম বৰুৱা, নৱ বৰুৱা আদি কেইবাজনো লেখকে যথেষ্ট কৃতিত্ব দেখুৱাইছে, যদিও তেওঁলোকৰ লগত শাৰী পতা বহুত লেখকৰে আৱশ্যকীয় চৰ্চ্চাৰ অভাৱ লক্ষ্য কৰিব পাৰি। নতুন কবিতাৰ কল-কৌশলত জ্ঞান-বিজ্ঞান উভয়েই আছে; গতিকে তাৰ প্ৰকৃত ধ্যান-ধাৰণা লাভ কৰিবলৈ যি আয়াস আৰু একাগ্ৰতা লাগে, বহুতৰে সি নোহোৱাত "দেখাক দেখি কৰ্ম। শুনাক শুনি ধৰ্ম॥" কৰিবলৈ যোৱাৰ দৰে হয়। তদুপৰি নতুন কবিতাৰ কল-কৌশল বিদেশী হলেও তাক অসমীয়া জাতীয় জীৱনত খাপ খুৱাবলৈও ভালেখিনি বুদ্ধিৰ প্ৰয়োজন; সেই বুদ্ধিও অৱশ্যে উপাৰ্জ্জন কৰি লব লাগিব। বিদেশী কল-কৌশল ব্যৱহাৰৰ কৃতকাৰ্য্যতাৰ প্ৰমাণ হ'ল তাক বিদেশী বুলি সতকাই গম ধৰিব পৰা হব নালাগিব। ইংৰাজী নৱন্যাস ব্যৱহাৰ কৰা ইয়াৰ পূৰ্ব্বযুগৰ কৱিসকলেই তাৰ প্ৰমাণ দিয়ে। আন কথাৰে কবলৈ হ'লে, বিজাতীয় বস্তু জাতীয় বা অঘৰী কথা ঘৰচীয়া নহলে সি গ্ৰহণীয় নহয়।

**নতুন চুটিগল্প** লেখকৰ ভিতৰত পুৰণি চামৰ হেমচন্দ্ৰ বৰুৱা আদি নতুন চামৰ আব্দুল মালিক প্ৰভৃতি লেখত লবলগীয়া। ভাব-ভাষা কল-কৌশল আদি সকলো পিনে চৰ্চ্চাৰ প্ৰমাণ দেখুৱালেও এই পিছৰ লেখকৰ আগৰ ৰচনাত মোপাছাৰ অপৰিপক্ক গল্পৰ প্ৰভাৱ যথেষ্ট আছিল; সুখৰ বিষয়, বৰ্ত্তমান তেওঁৰ লিখাই মাজে মাজে ক্ৰম-পৰিণতিৰ চিন দেখুৱাইছে। এওঁৰ আগৰ-পিছৰ প্ৰায় লেখকতে কল-কৌশলত হওক-নহওক, ভাব-ভাষা বিষয়ত আৱশ্যকীয় অধিকাৰ নোহোৱা হেতুকে শিল্পীৰূপে তেওঁলোকৰ সিদ্ধি নিশ্চিত নহয়। এওঁলোকৰ সৰহখিনিয়েই সমাজ আৰু চৰিত্ৰ অধ্যয়নতকৈ অকল কল্-কিটিপ্ জনাৰ ওপৰতে

কৃতকাৰ্যতাৰ বাবে নিৰ্ভৰ কৰে; তদুপৰি ভাষাৰ চৰ্চা আৰু অধিকাৰ লাভ নোহোৱা হেতুকে তেওঁলোকে পঢ়ুৱৈৰ মনত ভাল দৰে সাঁচ বহুৱাব নোৱাৰে। অপৰিপক্ব জ্ঞানৰ প্ৰশংসা আৰু পৰম্পৰ শলাগনি সমাজৰ সমৰ্থনৰ ওপৰতো বহুতেই নিৰ্ভৰ কৰে; অথচ নিজ গুণৰ ওপৰত ঠিয় হব পৰা শক্তি বহুতৰেই নাই।

**নতুন উপন্যাস** লেখকৰ ভিতৰত ছদ্মনামা বীণা বৰুৱাৰ 'জীৱনৰ বাটত' আদি দুই এখন উপন্যাসে জনপ্ৰিয়তা লভিছে; কিন্তু সেইবোৰৰ প্ৰকৃত গ্ৰন্থকৰ্তা সম্পৰ্কে বাদানুবাদ দেখিবলৈ পোৱা হয়। সি যি হওক, অসমীয়া ঘৰুৱা আৰু সামাজিক জীৱনত বিভিন্ন দিশৰ পৰা পোহৰ পেলোৱা প্ৰকৃত অসমীয়া উপন্যাসৰ লেখ এতিয়াও যথেষ্ট বুলিব নোৱাৰি। তদুপৰি মাজুলিৰ নিচিনা অসমক চাৰিওফালৰ পৰা বেৰি থকা পৰ্বতীয়া জন-জাতিৰ জীৱনৰ বিষয়েও যি দুই এখন উপন্যাস আছে তাত উপন্যাসৰ ফালৰ পৰা পৰিণতিৰ আৱশ্যক: অকল জনজাতিৰ চিত্ৰ বুলিয়েই যথেষ্ট হব নোৱাৰে। তাওঁনি কৰা উপন্যাসবো প্ৰকৃত মূল্য হ'ব তাক জাতীয় ঠাচত সম্যকৰূপে গঢ় দিব পাৰিলেহে। টেনিছনৰ 'এনক্ আৰ্ডেন' সাধুৰ আহিঁ লৈ লিখা ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'নিৰ্মল ভকত' এই সম্পৰ্কত আমাৰ আহিঁ হ'ব পাৰে। ইয়াৰ আগৰ যুগৰ এইজন লেখকৰ বিপুল মানৱীয় অনুভূতি এই যুগৰ এটা ডাঙৰ অভাৱ।

**নতুন নাটক** বহুত ওলাইছে যদিও বিশেষভাৱে নাম কৰ পৰা লেখকৰ উল্লেখ কৰা কঠিন। ইংৰাজী সাহিত্যত এই নতুন নাটকে যুগান্তৰ আনিছিল আৰু ৰঙ্গমঞ্চ প্ৰায় বক্তৃতা-মঞ্চলৈ ৰূপান্তৰিত হৈছিল। গেল্‌ছ্‌ৱৰ্দি আৰু বাৰ্ণাড্‌শ্বৰ সেই সময়ৰ সামাজিক সমস্যাবোৰৰ ওপৰত লিখা নাটকবোৰৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি; ব্যৱহাৰিক সমাজত মুনিহ-তিৰুতাই যেনে দৰে কথা পাতে, তেওঁলোকৰ নায়ক-নায়িকাবোৰে ৰঙ্গ-মঞ্চত ঠিক তেনেদৰেই জীৱন্ত ভাষাত কথা পাতিছিল। এনে কৰা বাবে তেওঁলোকৰ কোনো নাটক যদি নাটক স্বৰূপে অকৃতকাৰ্য হোৱা বোলা হয়, তেন্তে কব লাগিব সেই অকৃতকাৰ্যতা বহুত নাটকৰ কৃতকাৰ্যতাতকৈ অধিক কৃতকাৰ্য। অসমীয়া কি নাটক, কি উপন্যাস, প্ৰত্যেকৰে লেখক স্বভাৱতেই যেন সমস্যাতঙ্ক-ৰোগী; সমস্যাৰ সন্মুখলৈ আহিবলৈ তেওঁলোকে সদায় ইমান টান পায়! ধুঁৱলি-কুঁৱলী ভাব আৰু অলঙ্কাৰ-বিলাসী ভাষাই তেওঁলোকৰ অতি আদৰৰ! ব্যৱহাৰিক

জীৱনৰ লগত এই বিচ্ছেদৰ হেতুকেই অসমীয়া সাহিত্য সাধাৰণভাৱে অসমীয়া জীৱনৰ পৰা বিচ্ছিন্ন হৈ আছে বুলিব পাৰি। অসমীয়া নাটক-উপন্যাস সমস্যা-মুখৰ আৰু বস্তুমুখী হ'ব কেতিয়া ?

**নতুন গীত** দেখাত দিনক দিনে বাঢ়িছে যদিও জ্যোতিপ্ৰসাদৰ পৰা ভূপেন্দ্ৰনাথলৈকে ধৰিও আঙুলিৰ মূৰত লেখিবলৈ নোলায়। গায়কৰ কণ্ঠৰ মিঠা গুণে, জাতীয় সুৰৰ মোহনিয়ে বা বচা বচা ঘৰুৱা মাত-কথাই গীতৰ গাঁথনি দিব নোৱাৰে। কবিতাৰ দৰে গীতৰো মূলবস্তু সুৱলা ভাব ; "ত্ৰিশ দিনে হয় মাহ সেপ্তেম্বৰ। সিদৰে এপ্ৰিল আৰু জুন নৱেম্বৰ॥"—গীতৰ সুৰত সুৱলাকৈ গাব পাৰি, তথাপি সি গীত হব নোৱাৰে। বৰ্তমান লেখকৰ লগত সমালোচকৰ সম্পৰ্ক কলগছৰ লগত ঢোকাৰ নিচিনাই হয় ; লেখক-সমালোচক প্ৰায়ে পৰস্পৰে পৰস্পৰৰ ওপৰত আত্ম-প্ৰতিষ্ঠাৰ বাবে নিৰ্ভৰশীল। এইবাবেই বাস্তৱতে কবিতাত নথকা দৰ্শন আৰু গীতত নথকা কবিত্ব সমালোচকৰ পাণ্ডিত্য ওলমোৱা হাকোটাৰ বাবে কল্পনা কৰা হয়, উচ্চ-পদবী বা ধনী-সুহৃদৰ স্তাৱক-আৱতিৰ কথা এৰিও। সম্প্ৰতি আকাশবাণীৰ যোগানৰ বাবে কিছুমান গীতৰ আমদানি হৈছে ; তাত "গীত-কবিত্ব গুণ"ৰ বিশেষ বিচাৰ দেখিবলৈ পোৱা নহয়। নিৰপেক্ষ সমালোচনাই অব্যৱস্থাৰ অৱসানৰ একমাত্ৰ উপায়।

**নতুন সমালোচনা** বাস্তৱতে আজি প্ৰায়ে প্ৰৱঞ্চনাৰ দৰেই হৈছে : কিয়নো তাত সমালোচকৰ ভুৱা দিয়া পাণ্ডিত্যৰ আড়ম্বৰ আছে, নিজা অনুভৱ নাই। তদুপৰি সমালোচনাৰ নামত পৰস্পৰ-শলাগনিৰ ফাকুৱেই শূন্যক বোলাই থৈছে ; তাৰ বাবে কোনো কবি-সাহিত্যিকৰ প্ৰকৃত ৰৱণ ধৰা পেলোৱা টান। তদুপৰি সৰল সহজ ভাষাৰ সলনি তেওঁলোকে বাক্যৰ এনে ইন্দ্ৰজাল ৰচে যে তাক ভেদ কৰি বাক্যৰ অৰ্থ-সংগ্ৰহ কৰা কঠিন। বুৰঞ্জী ৰচনা আদিৰ নামত কিছুমান পুথি ওলাইছে, সেইবোৰ কেতিয়াবা সুখপাঠ্য হয় ; কিন্তু বহুত পুথিৰ আলোচনাৰ কোনো বিশেষ দিশ নাই। বৰ্তমান অসমীয়া সাহিত্যৰ নিৰ্ভৰযোগ্য সমালোচনা নোহোৱাত আৰু বাতৰি-কাকতবোৰে কোনো দায়িত্ব অনুভৱ নকৰাকৈ যথে-মথে সমালোচনা উলিওৱা বাবে গোটেই সাহিত্যই দিশ-বিদিশ হেৰুৱাইছে। অচিৰে ইয়াৰ প্ৰতিকাৰ নহলে অসমীয়া সাহিত্যই যথেষ্ট ক্ষতি স্বীকাৰ কৰিব লাগিব যে সন্দেহ নাই।

**"ভাহেই সাহিত্য"** (?) এই মতকে সকলো প্ৰকাৰে সাৰোগত কৰি

বৰ্তমান দ-বায় নগণি বচনা-সমালোচনা চলাও দেখিবলৈ পোৱা হয়; ই দুখৰ কথা। সমাজৰ মঙ্গলৰ বাবে অবিসম্বাদী সত্য নিৰ্ভীকভাৱে প্ৰকাশ কৰিবলৈ সৎসাহস প্ৰকৃত প্ৰতিভাৰ চিৰ সহচৰ; কিন্তু ই নিৰ্বুদ্ধিতা আৰু দম্ভালিৰ প্ৰৰোচনা হোৱা অন্যায়। পাঠ আৰু অধ্যয়ন একে নহয়, গতিকে বহুত কিতাপ পঢ়াৰ লেখেই যথেষ্ট নহয়; সেইবোৰৰ ভিতৰলৈ সোমাব পৰা গুণ লাগে, আৰু ইয়াৰেই অভাৱ বহুত সমালোচকত ওলাই পৰে। লেখকবিলাকৰ ভিতৰতো অনুকৰণতকৈ অনুসৰণৰ আৱশ্যকতা অধিক।

অস্থিৰ সমস্তা অৱশ্যে এনে অৱস্থাৰ বাবে ভালেখিনি দায়ী। ইংৰাজী সাহিত্যত যেনেকৈ ভিক্টোৰিয়া যুগৰ স্থিৰতা কুৰি শতিকাৰ আগৰ দশকৰ পৰাই হেৰাল, অসমীয়া সাহিত্যত প্ৰায় দুকুৰি বছৰৰ পাছত এই শতিকাৰ তৃতীয় দশকৰ শেষত তাৰ আৰম্ভ হ'ল। সমাজৰ শান্তি-নীতি আৰু সম্পত্তি-প্ৰগতি আটাই-বোৰেই যেতিয়া সোলোক-ঢোলোক, সাহিত্যৰ আদৰ্শ-ব্যৱহাৰবো ধৰনি লৰা স্বাভাৱিক মাত্ৰ। সমাজৰ নীতি-স্থিতি লৰক-ফৰক হোৱাৰ পৰিণাম সাহিত্যত প্ৰতিফলিত নোহোৱাহে অস্বাভাৱিক হলহেতেন। ইমানেই নহয়, সেই শান্তি আৰু স্থিতি হেৰোৱাৰ বাবে বৰ্তমান যুগে নিজ আক্ৰোশ পূৰণৰ বাবে কেপেৰি পতা আৰু বিদ্ৰূপ কটাক্ষ কৰাও আচৰিত নহয়, আৰু বাস্তৱতে সেয়ে হৈছে। সাম্প্ৰতিকভাৱে হলেও জীৱনেই যেতিয়া নিজ সনাতন ছন্দ হেৰুৱাইছে, সাহিত্যৰ পদ্য-গদ্যত তাক বিচৰাই ভুল বুলিব পাৰি; পৰীক্ষামূলক যুগৰ সকলো দোষ-দুৰ্বলতা সমাজ স্থিৰ-সমতালৈ নাহে মানে সাহিত্যৰ পৰা গুচোৱা কঠিন।

প্ৰতিভাৰ উচ্চতা কিন্তু সদায় সকলো যুগৰ ওপৰত যে সন্দেহ নাই। সকলো সনাতন সাহিত্যই এনেবোৰ বেমেজালি আৰু পৰীক্ষাৰ যুগৰ ভিতৰেদিও নিজ শ্ৰেষ্ঠ সাহিত্যিক প্ৰতিভাৰ বিকাশ দেখুৱাইছে, যদিও এই প্ৰতিভাৰ স্বৰূপ বেলেগ হব পাৰে। এলিজাবেথ যুগৰ সুখ-সমৃদ্ধিয়ে শেক্সপীয়েৰৰ দৰে নাট্য-কাৰৰ জন্ম দিছিল; কিন্তু খেলি-মেলি যুগৰ বুটেইনে যি বাৰ্ণাড্ শ্বৰ উদ্ভৱ সম্ভৱ কৰিলে তেওঁৰ প্ৰতিভা সুকীয়া হ'লেও সি এই যুগৰ এক কীৰ্ত্তিস্তম্ভ স্বৰূপ যে সন্দেহ নাই। অসমীয়া সাহিত্যৰো এই খেলি-মেলি যুগত যি প্ৰতিভা বিকশিত হব সি তাৰ আগৰ যুগৰ লক্ষ্মীনাথ প্ৰভৃতিৰ দৰে নহব কিন্তু সি নিজস্ব মহিমাৰে মহিমান্বিত হোৱা বাঞ্ছনীয় নিশ্চয়। শেক্সপীয়েৰৰ তুলনাত শ্বৰ নাটকবোৰ আমাৰ চকুত তৰাং আৰু ক্ষণস্থায়ী লাগিব পাৰে, তথাপি শ্বৰ ব্যক্তিত্ব বৰ্তমান

যুগত অস্বীকাৰ কৰা অসম্ভৱ বুলিব লাগে। বৰ্তমান লেখকবিলাকৰ তালিকা অনাৱশ্যক, কিয়নো তেওঁলোক নিজ ভৱিষ্যত গঢ়াৰ যত্নত ; তেওঁলোকৰ সম্পৰ্কে এতিয়াই ভাল-বেয়া কোনো খাটাংকথা কোৱা অকল ভুলেই নহয়, অন্যায়ো হোৱা সম্ভৱপৰ। বিশেষকৈ প্ৰকৃত প্ৰতিভা আৱিষ্কাৰত আমি কেতিয়াও খৰধৰ কৰিব নোৱাৰোঁ ; আগৰ গৰু বাঘে খোৱাৰ দৰে ওপৰত ওলাই থকা বিলাকৰ যশৰ স্থায়িত্ব সম্পৰ্কে সন্দিহান হোৱাই স্বাভাৱিক কথা। গতিকে অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগৰ নতুন লেখকৰ বিচাৰ এই শতিকাৰ সামৰণিৰ ফালেহে সম্ভৱপৰ হব পাৰে।

**সমালোচকৰ দায়িত্ব** বৰ্তমানৰ দৰে বেমেজালিৰ যুগত যে অপৰিসীম সন্দেহ নাই। আন্ধাৰ বাটত জোৰ-ধৰোঁতাৰ যি কাম, সমালোচকৰো সেয়ে পৱিত্ৰ কৰ্ত্তব্য। আন হাতে, সাহিত্য সৃষ্টি কৰাতকৈও সমালোচনা কৰা কেতিয়াবা কঠিন কাম ; স্তাৱক আৰু শোবা-শেৰেলুৱাই সমালোচকৰ কাপ হাতত লব নাপায়। বৰ্তমান বাতবিকাকতৰ যুগে আমাক সকিয়াই দিয়ে ভাবমুখীতকৈও বস্তুমুখী হবলৈ ; গতিকে কোনো ধুঁৱলি-কুঁৱলী ভাব সমালোচনাত ঠাই পোৱা অযুগুত। তদুপৰি কোনো সাহিত্য নিন্দা বা প্ৰশংসা কৰিবলৈ আগতে থিৰ কৰি লৈ তাৰ গুণ-দোষ লুকুৱাবৰ চেষ্টা, বা কোনো বিষয়ৰ ওপৰত নিজ প্ৰতিপত্তি নথকা জানিও টেঙৰালিৰে সমালোচনা কৰিবলৈ যোৱা পাপ কাৰ্য, বন্ধু-বাৎসল্য বা প্ৰভু-ভক্তিৰ কথা এৰিও। আন সমালোচকৰ উদ্ধৃতি নিজ সমালোচনাৰ দুৰ্বলতাৰ প্ৰমাণ মাত্ৰ ; লেখকে পাতনিত কোৱা আত্মকথাৰ সমৰ্থনো তদ্ৰূপ। লেখকৰ জীৱনী বা তেওঁৰ লগত সমালোচকৰ নিজা সম্পৰ্ক প্ৰভৃতিৰ উল্লেখো সমালোচনাৰ দোষৰ লেখতেই পৰে। অসমীয়া সাহিত্য বৰ্তমান অসীম সম্ভাৱ্যতাৰ দুৱাৰ-দলিত ; এনে সময়ত উপযুক্ত সমালোচনা-সাহিত্যই যথেষ্ট বৰঙণি যোগাব পাৰে। অসমীয়া চুটি-সাধু-উপন্যাস, নাটক-কবিতা, সকলো ক্ষেত্ৰতে সমালোচকৰ আধুনিকতম আৰু নিৰপেক্ষ দৃষ্টি-ভঙ্গিয়ে অসমীয়া সাহিত্যৰ এই সন্ধিক্ষণত পথপ্ৰদৰ্শকৰ কাম কৰিব নিশ্চয়। তোষামোদী আৰু পক্ষপাত-দুষ্ট মতামত অবিচাৰৰ নামান্তৰ, আৰু সাহিত্যৰ উন্নতিৰ অত্যন্ত অন্তৰায় ; অসমীয়া সাহিত্যই যাতে তাৰ বিপৰীতে উদাৰ আলোকপূৰ্ণ সমালোচনাৰ আশিস্ উপভোগ কৰিবলৈ পায়, ইয়ে আটাইৰে কাম্য হোৱা উচিত।

# অসমীয়া সাহিত্য বুৰঞ্জীৰ জোৰনি

## অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিচাৰ

বহুতে আকৌ সোধে, বৈষ্ণৱ সাহিত্যৰ সকলোবোৰ যে গুণেই, তাৰ দোষ নাইনে ? ই মক্ষিকা-বৃত্তিৰ পৰিচয় নিশ্চয় ; কিয়নো যেতিয়ালৈকে কোনো দোষে আমাক চিকুটা-বাকোহা নকৰে তেতিয়ালৈকে দোষ খোচৰা সাহিত্যৰ কাম নহয়। সাহিত্যৰ সমালোচনা কৰোঁতে এটা যুগৰ সাহিত্যৰ ভাব-ধাৰা কি আছিল, সি কিদৰে প্ৰতিপালিত হৈছে, তাৰ পৰা সমাজৰ কি কল্যাণ সাধিত হৈছে, এইবোৰেইহে যাই বিচাৰৰ বিষয়। আমি একাধিকবাৰ উল্লেখ কৰি অহাৰ দৰে হাতে ঢুকি পোৱাত অকল এলিজাবেথ যুগৰ ইংৰাজী সাহিত্যৰ লগতহে বিশালতা, ব্যাপকতা, গভীৰতা, সমাজ-কল্যাণ, জাতীয় জাগৰণ আদি সকলো ফালৰ পৰা অসমীয়া বৈষ্ণৱ সাহিত্যৰ তুলনা হয়। ওপৰ-চকুৱা সমালোচনাই এই সাহিত্যৰ সকলো দিশলৈ মন কৰিব নোৱাৰি হুতাই-তাইকৈ লিখিলে তাৰ পৰা সমাজৰ যথেষ্ট অনিষ্ট হয় ; ঐতিহাসিক দৃষ্টিভঙ্গী, সঠিকতা, আটোম-টোকাৰি আদি গুণ সমালোচনাৰ অপৰিহাৰ্য আছিলা নিশ্চয়।

## অসমীয়া নীচাত্মিকা আৰু জাতিৰ ভৱিষ্যত

ৰাজনৈতিক বুৰঞ্জী সামাজিক বিৱৰ্ত্তনৰ প্ৰকাশহে, কাৰণ নহয়। অসমৰ ৰাজনৈতিক অধঃপতনৰ আগজাননী মোৱামৰা বিদ্ৰোহ, দন্দুৱা-দ্ৰোহ আদি গৃহ-যুদ্ধৰ বাহিৰেও, উচ্চ বিষয়াবিলাক মানসিক সঙ্কীৰ্ণতা আৰু ৰজাৰ দায়িত্বহীনতা আদিৰ উপৰিও, জন-সাধাৰণৰ নৈতিক অৱনতি আদিত দেখিবলৈ পাওঁ। জোৱাৰৰ উচ্চতম শিখৰতেই ভাটাৰ আৰম্ভ ; আহোম ৰজাসকলৰ শিৰৰ মুকুট স্বৰূপ আৰু মুছলমান ৰাজত্ব নিৰ্মূল কৰি সমগ্ৰ ভাৰতত হিন্দু ৰাজ্য প্ৰতিষ্ঠাৰ অক্ষয় কীৰ্ত্তি ৰাখিবলৈ ওলোৱা মহাৰাজ ৰুদ্ৰসিংহৰ তেজ্বতো অসমৰ সেই মানসিক বঙ্কালতাৰ দোষ ; তাৰ প্ৰমাণ ষাউতিযুগীয়া অসমৰ চিৰ-গৌৰৱান্বিত খিলঞ্জীয়া ধৰ্মক হেয় ভাৱ কৰি বিদেশীত শৰণাপন্ন হোৱা : তাৰ পৰিণাম মোৱামৰা বিদ্ৰোহ, ইংৰাজত শৰণাপন্নতা, আৰু চিৰকলীয়া স্বাধীনতা-হানি। অসমীয়াৰ তেজৰ পৰা সেই নীচাত্মিকাৰ বীজ আজিলৈকে দূৰ নহল ; কেতিয়া গুচিব তাক ভৱিষ্যতৰ অসম বুৰঞ্জীয়েহে কব পাৰিব।

---

# অসমীয়া সাহিত্য বুৰঞ্জীৰ আলোচনা-সূত্ৰ

( ব্যৱহৃত অঙ্কবোৰ পুথিৰ পিঠিৰ সংখ্যাসূচক )

## পুথি এক—আদি মধ্যযুগৰ অসমীয়া সাহিত্য

আগকথা : (ক) ৰাজনৈতিক পৰিস্থিতি, (খ) সামাজিক সাৰাংশ, (গ) সাহিত্যিক লক্ষণ ( ২১-২৪ )। ১। বৈষয়িক সাহিত্য—চহা গীত-সাধু আদি ( ২৪-৩২ )। ২। ধৰ্মমূলক সাহিত্য : (১) তান্ত্ৰিক প্ৰভাৱ ( ৩২-৪২ ); (২) বৌদ্ধ প্ৰভাৱৰ (ক) ডাকৰ বচন ( ৪২-৪৭ ); (খ) চৰ্য্যাচৰ্য্যবিনিশ্চয়, বৌদ্ধ গান ( ৪৭-৫৪ )।

## পুথি দুই—শেষ মধ্যযুগৰ অসমীয়া সাহিত্য

আগকথা : (ক) ৰাজনৈতিক পৰিস্থিতি, (খ) সামাজিক সাৰাংশ, (গ) সাহিত্যিক লক্ষণ (৫৫-৫৮ )। ১। অন-বৈষ্ণৱ সাহিত্য : (১) গোপীচন্দ্ৰৰ গান ( ৫৮-৬৪ ); (২) ৰামাইৰ শূন্য পুৰাণ ; (৩) চণ্ডীদাসৰ কৃষ্ণকীৰ্ত্তন (৬৪-৬৭ )। ২। পূৰ্ববৈষ্ণৱ সাহিত্য : (১) দুৰ্লভনাৰায়ণৰ আমোলৰ হেম সৰস্বতী প্ৰভৃতি ( ৬৮-৮০ ); (২) বৰাহ ৰজা শ্ৰীমহামাণিক্যৰ আমোলৰ মাধৱকন্দলী (৮০-৯৪)।

## পুথি তিনি—নৱজন্মৰ ফুলি উঠা অসমীয়া সাহিত্য

আগকথা (ক) ঐতিহাসিক জৰিপ, (খ) সামাজিক পৰিস্থিতি, (গ) জ্ঞানৰ নৱজন্ম ( ৯৫-১০০ )। ১। বৈষয়িক সাহিত্য—গণিত-জ্যোতিষ-ব্যাকৰণ (১০০-১০২)। ২। মনসা সাহিত্য—মনকৰ, দুৰ্গাবৰ আদি কবিসকল (১০২ ১০৮)। ৩। মহাভাৰতৰ কবিসকল—কবীন্দ্ৰ, সঞ্জয় আদি (১০৮-১১৩)। ৪। নৱজন্মৰ বৈষ্ণৱ সাহিত্য—শ্ৰীশঙ্কৰ-সূৰ্য্যৰ উদয় ( ১১৩-১৩৫ ): (ক) শঙ্কৰী কাব্য—কীৰ্ত্তন-ঘোষা, ভাগৱত-ভাঙনী আদি ( ১৩৫-১৬৫); (খ) শঙ্কৰদেৱৰ বৰগীত, অঙ্কীয়া নাট আৰু কথা-ৰীতি ( ১৬৫-১৭৮ ); (গ) মাধৱদেৱৰ জীৱনী, ধৰ্ম্মপ্ৰচাৰ, নিৰ্য্যাতন ( ১৭৮-১৯২ ); (ঘ) মাধৱদেৱৰ কাব্য, অঙ্ক, গীত আদি অৱদান (১৯২-২০৩); (ঙ) মাধৱদেৱৰ অঙ্কীয়া নাট আৰু বৰগীত ৰচনা (২০৩-২১০); (চ) হৰিচৰণ অনন্তকন্দলী চন্দ্ৰভাৰতী ভাগৱত-ভট্টাচাৰ্য (২১০-২১৪); (ছ) অনিৰুদ্ধ ৰামসৰস্বতী ভাৰতভূষণচন্দ্ৰ কবিসৰস্বতী (২১৪-২২০);

(জ) ৰত্নাকৰ, শ্ৰীধৰ, সাৰ্বভৌম, কংসাৰি প্ৰভৃতি (২২০-২৩৩); (ঝ) বৈকুণ্ঠনাথ ভট্টদেৱ কবিত্ব (২৩৩-২৩৬); (ঞ) নৱজন্মৰ বৈষ্ণৱ সাহিত্যৰ জোৱাৰৰ সামৰণি (২৩৬-২৩৯); (ট) বৈষ্ণৱ সাহিত্যৰ অপৰিসীমতা (২৩৯-২৪০)।

## পুথি চাৰি—উত্তৰ নৱজন্ম যুগৰ অসমীয়া সাহিত্য

আগকথা: (ক) ৰাজনৈতিক সাৰাংশ, (খ) মায়ামৰা আন্দোলন, (গ) সাহিত্যিক বিশিষ্টতা (২৪১-২৪৫)। ১। অনুবাদ আৰু চৰিতমূলক বৈষ্ণৱ পদ্য-গদ্য (২৪৫-২৬২)। ২। অন-বৈষ্ণৱ আৰু বৈষয়িক পদ্য-গদ্য (২৬২-২৭১)। (ক) ৰাজকীয় পত্ৰ, পেড়াকাকত, মানুহ-বেচা কাকতৰ গদ্য (২৭১-২৭৩); (খ) জিকিৰ আৰু অন্যান্য মৌখিক সাহিত্য (২৭৩-২৭৬)।

## পুথি পাঁচ—বৰ্ত্তমান যুগৰ আবিষ্কাৰৰ অসমীয়া সাহিত্য

আগকথা (ক) ইংৰাজ শাসন, (খ) আত্মবিশ্বাস-হীনতা, (গ) সাহিত্যিক জাগৰণ (২৭৭-২৮০)। ১। খৃষ্টীয় অসমীয়া সাহিত্যৰ থাপনা (২৮৩-২৯২)। ২। উনৈশ শতিকাৰ সাহিত্যৰ বাট-দেখাওঁতাসকল (২৯২-৩০৯)। ৩। পূৰ্ব-আধুনিক আৰু আধুনিক কবিতাৰ বিকাশ (৩০৯-৩২৫)। ৪। অসমীয়া নৱন্যাসৰ আৰু কবিতাৰ হোতাসকল (৩২৫-৩৪১)। ৫। নৱন্যাসৰ গদ্য, উপন্যাস, নাটক, চুটিসাধু আদি (৩৪১-৩৫৯)। ৬। অসমীয়া কবিতাত ছন্দৰ ক্ৰমবিকাশ (৩৫৯-৩৬২)। ৭। অসমীয়া সাহিত্যৰ অতি-আধুনিক স্তুতি (৩৬২-৩৭০)। ৮। অসমীয়া সাহিত্যৰ বৰ্তমান আৰু ভবিষ্যত (৩৭১-৭২): নতুন কবিতা (৩৭২), নতুন চুটিসাধু (৩৭২-৭৩), নতুন উপন্যাস (৩৭৩), নতুন নাটক (৩৭৩-৭৪), নতুন গীত (৩৭৪), নতুন সমালোচনা (৩৭৪): "সাহেই সাহিত্য" (৩৭৫), অস্থিৰ সমতা (৩৭৫), প্ৰতিভাৰ উচ্চতা (৩৭৫-৭৬), সমালোচকৰ দায়িত্ব (৩৭৬)। ৯। অসমীয়া সাহিত্য বুৰঞ্জীৰ জোৰনি: অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিচাৰ (৩৭৭); অসমীয়া নীচাম্বিকা আৰু জাতিৰ ভবিষ্যত (৩৭৭)। ১০। সাহিত্য বুৰঞ্জী আলোচনা-সূত্ৰ (৩৭৮-৭৯)। ১১। অসমীয়া সাহিত্যৰ চমু কালক্ৰমণিকা (৩৮০)। ১২। অক্ষৰানুক্ৰমিক অধিক আৱশ্যকীয় নাম-সূচী (৩৮১-৮৪)।

# অসমীয়া সাহিত্যৰ চমু কাল-ক্ৰমণিকা

| কাল | সমসাময়িক ঘটনা | কাল | সাহিত্যৰ কাহিনী |
|---|---|---|---|
| ৩৫০-৬৫০ | কামৰূপত বৰ্ম্মণ ৰাজত্ব | ৪৯৪ | কামৰূপী প্ৰাকৃত আৰু লিপি |
| ৩৬০-৩৭০ | সমুদ্ৰগুপ্তৰ স্তম্ভলিপি | ৫৯৪ | ভাস্কৰাব্দ তথা বঙ্গাব্দ |
| ৬৫০-১১০০ | ম্লেচ্ছাধিনাথ বংশৰ ৰাজত্ব | ৬০০ | ভাৰতীয় প্ৰাকৃতৰ শেষকাল |
| ৬৭০-১০৫০ | এংলো-ছেক্সন সাহিত্য | ৭০০-১১০০ | বৌদ্ধগান, চৰ্য্যাচৰ্য্যবিনিশ্চয় |
| ১১০০-১২০০ | কামৰূপত পাল ৰাজত্ব | ১১৫০ | কবি হেম সৰস্বতীৰ অভ্যুদয় |
| ১২০৪-১২৫৬ | খেনবংশী নীলধ্বজৰ ৰাজত্ব | ১৩৫০-১৪০৬ | মাধৱ কন্দলীৰ ৰামায়ণ |
| ১৩৪০-১৪০০ | ইংৰাজ কবি চছাৰ | ১৪১৮ | চণ্ডীদাসৰ কৃষ্ণকীৰ্ত্তন কাব্য |
| ১৩৬০-১৪৪৮ | মৈথিলী কবি বিদ্যাপতি | ১৪৪৯ | শঙ্কৰদেৱৰ আবিৰ্ভাৱ |
| ১৪০০-১৪৬০ | ইংলণ্ডত ৰেনেছেঞ্চ যুগ | ১৪৬৮ | চিহ্নযাত্ৰা, উদ্ধৱসম্বাদ |
| ১৪৫৫-১৪৯৮ | খেনবংশী নীলাম্বৰৰ ৰাজত্ব | ১৪৭৯ | শঙ্কৰদেৱৰ দেশভ্ৰমণ |
| ১৪৭৭ | ইংলণ্ডৰ প্ৰথম ছপা পুথি | ১৪৮৯ | মাধৱদেৱৰ আবিৰ্ভাৱ |
| ১৪৯৮ | খেন ৰাজ্য কমতাপুৰ ধ্বংস | ১৫২৮ | শঙ্কৰ-মাধৱৰ মিলন |
| ১৫১৫-১৫৪০ | কোচৰজা বিশ্বসিংহ | ১৫৩৩ | পীতাম্বৰৰ উষা পৰিণয় |
| ১৫৩০ | ইংৰাজী ছনেট্, ব্লেঙ্কভাৰ্ছ | ১৫৬৮ | শঙ্কৰদেৱৰ তিৰোভাৱ |
| ১৫৪০-১৫৮৪ | অসমীয়া বিক্ৰমাদিত্য | ১৫৯৬ | মাধৱদেৱৰ ইচ্ছা-মৃত্যু |
| ১৫৫০-১৬২০ | এলিজাবেথৰ ৰাজত্ব | ১৬৩৮ | বৈকুণ্ঠনাথ ভট্টৰ মৃত্যু |
| ১৫৬৪-১৬১৬ | শ্বেক্সপীয়েৰৰ কাল | ১৬৫৮ | ৰঘুনাথৰ কথা-ৰামায়ণ |
| ১৬১১ | ইংৰাজী বাইবেল ভাঙনী | ১৭৩৪ | সুকুমাৰৰ হস্তীবিদ্যাৰ্ণৱ |
| ১৬২২ | প্ৰথম ইংৰাজী আলোচনী | ১৭৯৪ | দৰঙ্গৰ ৰাজবংশাৱলী |
| ১৭০২ | প্ৰথম ইংৰাজী দৈনিক | ১৭৯৯ | মানুহ-বেচা কাকত |
| ১৭৬৯-১৭৯৪ | মায়ামৰা আন্দোলন | ১৮৪০ | অসমীয়া প্ৰথম ছাপাশাল |
| ১৭৮৯-১৭৯৯ | ফৰাছী বিপ্লৱ | ১৮৪৪ | কাশীনাথৰ অসম বুৰঞ্জী |
| ১৭৯৮ | লীৰিকেল্ ব্লেলেড্ছ্ | ১৮৪৬ | অসমীয়া প্ৰথম আলোচনী |
| ১৮১৬-১৮২৪ | মানৰ অসম মাৰণ | ১৮৫৫ | "অসমীয়া সম্পৰ্কে মন্তব্য" |
| ১৮২৬, ২৪ ফেব্ৰু, | য়াণ্ডাবু সন্ধি | ১৮৬৭ | প্ৰথম অসমীয়া অভিধান |
| ১৮৩৩ | ইংলণ্ডত দাসত্ব উচ্ছেদ | ১৮৭৩ | স্কুল-আদালতত অসমীয়া |
| ১৮৩৬ | স্কুল আদালতত বঙলা | ১৯০০ | "হেমকোষ" প্ৰথম ছপা |
| ১৮৫৭ | ভাৰতীয় ছিপাহী বিদ্ৰোহ | ১৯৩৭ | আধুনিক সাহিত্যৰ বুৰঞ্জী |

# অক্ষৰানুক্ৰমিক অধিক আৱশ্যকীয় নাম-সূচী


অজামিলোপাখ্যান ১৩৭, ১৪০, ১৬১
অজ্ঞাত লেখক ২৬৫, ২৬৬, ২৯২
অতুলচন্দ্ৰ ৩৪১, ৩৫২ : অনন্ত আচাৰ্য
২৬২ ; -কন্দলী ৮২,১০০,২১০ ; -কায়স্থ
২৫৫ ; -ঠাকুৰ ১০২ ; -ৰামায়ণ ১০২ ।
অনাদি পাতন ১৫৯-৬০ : অনিৰুদ্ধ
কায়স্থ ২৩১ : অমূল্যৰত্ন ২০৫
অমৃতমন্থন ১৫৯ : অম্বিকাগিৰি ৩৪০
অম্বা চৰিত্ৰ ২২৪ : অৰ্জুনভঞ্জন ২০৪
অলিবৰ ২৮০ : অশ্বকৰ্ণৰ যুদ্ধ ২১৯
অশ্বমেধ ২২৬ : অষ্টম স্কন্ধ ১৫৯
আইনাম ৩৮, ৪৩, ৪৭ : আজান
ফকিৰ ২৭৩ : আদিকাণ্ড ৮২, ১৯৩
আদিচৰিত ২০৫ : আদিপৰ্ব ২১৯
আদিবনপৰ্ব ২১৪-১৫ : আদ্য দশম ২১১
আনন্দচন্দ্ৰ আগৰৱালা ৩৩৪-৩৬
আনন্দ ঢেকিয়াল ফুকন ২৯৬-৩০০
আসাম নিউচ্ ৩০৬, ৩৫৩
আসাম বন্ধু ৩১৯, ৩৫৪
উত্তৰাকাণ্ড ৬৬, ৮৩, ৮৫, ১৫৯, ১৯৩
উদ্ধৱ সম্বাদ ১২১, ১৩৫-৩৬, ১৫৩
উদ্যোগপৰ্ব ২১৪,২১৯ ; উষাপৰিণয় ১১২
একাদশ স্কন্ধ ১৩১, ১৫৯, ১৬৪
এলিজা ২৮৫ ; ওড়েষা বৰ্ণন ১৩৭, ১৫৩
কথা-গীতা ২৩৫-৩৬ ; -পদ্ম-পুৰাণ ২৫৪,
-ভাগৱত ২৩৪ ; -ৰামায়ণ ২৪৮,
২৭০ ; -সাত্বত তন্ত্ৰ ২৩৫, ২৫৪ ;
-সূত্ৰ ২১৩। কবিৰত্ন ১০০-০১ ;
সৰস্বতী ৭৬-৭৭, ১১১
কবিৰাজ চক্ৰবৰ্তী ২৫৮, ২৬৬ ; -বিপ্ৰ
২৫৭ ; -মিশ্ৰ ১১৩
কবীন্দ্ৰ ১০৮-০৯। কমলাকান্ত ৩১৭-১৮
কলাপচন্দ্ৰ ৮৬। কালীয়দমন ১৪৬, ১৬৮
কাশীনাথ ২৬৬ ; -তামুলী ফুকন ২৯৫
কাচনকুঁৱৰী ২৯। কিতাবত মঞ্জৰী ১০১
কিৰাত পৰ্ব ২২৪
কীৰ্ত্তন-ঘোষা ১২৭-১৯০
কীৰ্ত্তিনাথ ৩৫২ : কুমৰহৰণ ২১৩
কুৰুক্ষেত্ৰ ১৩২, ১৬৫ : কুলাচল ২১৭
কুৰ্মাৱলী ২১৯ : কৃষ্ণ-কীৰ্তন ৬৫-৬৬
কৃষ্ণ আচাৰ্য, -ভাৰতী ২২৯
কেলি গোপাল ১৬৯-৭০, ২০৪
কেশৱদেৱ ২৫৯ : কোটোৱা ২০৪-০৫
কংস বধ ১৪৮-৫০, ১৭২, ২২৬
কংসাৰি ২২৪ : ঘটাসুৰ ২১৯
গণেশচন্দ্ৰ ৩৮১ : গণেশলাল ৩৪১
গৰুড় পুৰাণ কাব্য ১৩০, ১৫৮
গীত-কাব্য ৩১-৩২ : গীতগোবিন্দ ২১৯

গীতাৱলী ৩৪৪ : গীতি-কবিতা ৩০-৩১
গুণমালা ১৫৮ : গুণাভিৰাম ৩০০
গুপ্তমণি ২০৫ : গুৰুবংশাৱলী ২৩৫
গোপাল আতা ২২৬, -দ্বিজ ২২৭,
-মিশ্ৰ ২২৯
গোপী উদ্ধৱ সম্বাদ ১৩৬, ১৫০
গোপীচন্দ্ৰৰ গান ৫৯ : গোপীনাথ ৩১৩
গোবিন্দ দাস, -মিশ্ৰ ২২৯
ঘুমুচা যাত্ৰা ১৩৭, ২২৩
ঘোষা নিদান ২৬৬ : ঘোষাবত্ন ২২৬
চন্দ্ৰকুমাৰ ৩২৫-২৯ : চন্দ্ৰধৰ ৩৫২
চণ্ডীদাস ৬৪-৬৭ : চৰ্য্যপদ ৪১, ৪৭-৫৪
চিহ্নযাত্ৰা ১২১-২২, ১৩৫-৩৬, ১৬৬-৬৭,
১৭২ : চুটিয়া বুৰঞ্জী ২৮৫
চূড়ামণি ১০০-০১ : চোৰধৰা ২০৩
জনসাহিত্য ২৭৩ : জনাগাভক ২৯,২৭৪
জন্মযাত্ৰা ১৩১, ১৬৭ ; -ৰহস্য ১৯২
জৰাসন্ধ যুদ্ধ ১৫১ : জয়দ্ৰথ বধ ২১৯
জাতিজন্মৰ গন্থ ২৬৯
জান্ত্ৰিকৰ যাত্ৰা ২৯০ : জিকিৰ ২৭৩
জ্যোতিপ্ৰসাদ ৩৫২, ৩৬৮
টীকা-ভাষ্য ২২৬ : টোকাৰী গীত ৪১
ডাক-চৰিত ৪৩ ; -বচন ৪৩-৪৮ ;
-ভণিতা ৪৪
ডিম্বেশ্বৰ ৩৪১, ৩৫৫-৫৬, ৩৬৫-৬৬
তন্ত্ৰ-মন্ত্ৰ ৩৯-৪১ : তৃতীয় স্কন্ধ ১৩১,১৫৯
দণ্ডিনাথ ৩৪১ : দধিমথন ১৮৮, ২০৪
দৰংৰাজবংশাৱলী ৩৪, ১০১-১০২, ১০৯
দশম ১৩০-৩১, ১৫৯, ১৬৩, ১৬৯
দক্ষিণগোগৃহ ২২৪ : দ্বাদশ ১৫৯, ১৬৪
দ্বিতীয় স্কন্ধ ৫৯ : দীননাথ ৩৩০
দীপিকাচন্দ্ৰ ২৬১ : দুতিৰাম ৩১২
দুৰ্গাপ্ৰসাদ ৩৫১ : দুৰ্গাবৰ ৬৯, ১০৩-০৬
দুৰ্গেশ্বৰ ৩৫২ : দেৱকান্ত ৩৪১
দেৱজিত ৯৪ : দেহবিচাৰ ৪১
দৈত্যাৰি ২৫২, ২৫৬ : দৈৱচন্দ্ৰ ৩৫২
দ্ৰোণপৰ্ব ২১৯ : ধৰ্মনাৰায়ণ ২২২
ধাতুতাম্ৰা ২৩৩ : নলিনীবালা ৩৪১
ন-ঘোষা ২৫০ : নৱন্যাস ৩২৫-৩৪
নাম-ঘোষা ১৩৭-৩৮, ১৮৯-৯০
নাম-মালিকা ১৮৯, ১৯৪
নাৰায়ণদেৱ ১০৬-০৮ : নিখিলেশ্বী ২৮৮
নিমি নৱসিদ্ধ ১৫৮, ১৬৪
নীতি-লতাঙ্কুৰ ২৬৬
নীলমণি ৩৪১ : নৃসিংহ যাত্ৰা ২৫২
নেথন ব্ৰাউন ২৮০, ২৮৩, ৩০৮
পত্নীপ্ৰসাদ ১৩০, ১৬৭
পদ-গণিত ২৮৫, ২৯০
পদ্মধৰ ৩৪১ : পদ্মনাথ ৩৪১, ৩৪৮
পদ্মপুৰাণ ১০৬ : পৰমানন্দ ২৫১
পৰশুৰাম ২৫১ : পক্ষীৰাজ মন্ত্ৰ ৪০
পাৰিজাত হৰণ ১৩২, ১৬৭-৬৮, ১৭৭
পাষণ্ডমৰ্দ্দন ১৩৭, ১৩৯
পিম্পৰা গুচোৱা ২০৩
পীতাম্বৰ ১১১ : পুৰুষোত্তম গজপতি
২৬১, -ঠাকুৰ ১০১-০২, ২৫০
পুষ্পহৰণ ২১৫ : পূৰ্ণকান্ত ৩১৪
পৃথুৰাম ২৬১ : প্ৰকৃতি পুৰাণ ২৪

প্রথম স্কন্ধ ১৩১, ১৫৯
প্রহ্লাদ চবিত্র ৬৯, ৭২-৭৩
ফুলকোঁরব ২৮, ৫৪, ২৭৪
বকুল কায়স্থ ১০০-০২, ২৯০
বঘাসুব ২১৭ : বনপর্ব ২১৯
বক্রবাহ পর্ব ৭৫ : ববগীত ১৭৩-৭৪
বলদেব দৈবজ্ঞ ২৬৪, -মহন্ত ৩১৬
বাবভনী ৪০ : বিজয় উপপর্ব ২৪৪
বিদ্যাচন্দ্র ২৫৯ : বিদ্যাপঞ্চানন ২২৪
বিনন্দচন্দ্র ৩৪১ : বিবাট পর্ব ২১৯
বিশ্বেশ্বব ৩১১ : বিবাজী মন্ত্র ৪০
বিষ্ণুভাবতী ২৩০ : বুবঞ্জী-বিবেক ২৯৪
বৃত্রাসুব বধ ১৬১
বৃহৎ অজামিল -বলিছলন ১৬১ ; -স্বর্গখণ্ড ২২৩ ; স্যমন্ত হবণ ২১৪
বেণুধব ১০৮, ২৪৯, ৩৫০
বেলিয়াবব বুবঞ্জী ৩১২
বৈকুণ্ঠনাথ ভট্টদেব ২৩৩
বৈষ্ণবামৃত ২১৩ : বৌদ্ধ গান ৪১,৪৮,৬৫
ব্যাধচবিত ২১৯ : ভক্তি-প্রদীপ ১৩০, ১৫৭-৫৮ ; বত্নাকব ১৫৯, ২২৬ ; বত্নাবলী ১৫৯, ২২৬ ; বত্নাবলী ১৫৯, ১৫৯, ৩০৮ ; -সাধন ২১৩
ভবানন্দ ২৫৬ : ভাগবত মিশ্র ২৩০, ২৫৪ : ভাস্বতী ২৫৮
ভীমচবিত ২২, ৩৩
ভীষ্ম পর্ব ২১৯, ২২৪
ভুমি লোটোবা ২০৩
ভুবণ দ্বিজ ২৫৩ : হেবোবা ২০৪-০৫
ভোজন-ব্যবহাব ২০৪
ভোলানাথ ৩১৮ : ভোলাই ৩৪৭
মধ্যদশম ২১৯ : মনকব ১০৩-০৪
মণিকোঁরব ২৮, ৫৪, ২৭৪
মন্ত্রসাহিত্য ৪১, ৬৪
মফিজুদ্দিন ৩২১ : মহামোহ ২৫২
মহীচন্দ্র ৩৫০ : মহীবাবণ ২১৩
ময়নামতী ৫৮, ২৭৪
মাইলুছ্ ব্রন্সন ২৮১, ২৮৫
মাধব কন্দলী ৬১, ৮০-৯৪ ;
মাধব-চন্দ্র ৩০৯ : মাধব-দেব ৮২, ১৭৮-৯৬
মায়ামবা ২৪২, ২৭৭ : মিত্রদেব ৩৫২
মৃগাবতী চবিত ২৫২
যজ্ঞপর্ব ২১৫, ২১৯
যতীন্দ্রনাথ ৩৪১ : যদুমণি ২৫১
যাত্বাম ২৯২ : যদু চৌধাবী ৩০৯
বঘুদেব ৩১৪
বঘুনাথ ৮৬, ২৪৮-৪৯, ২৭০
বজনীকান্ত ৩৪৭ : বত্নকান্ত ৩৪১
বত্নাকব ১৩২, ২২০ : বত্নেশ্বব ৩২০
বমাকান্ত ২৫৭, ৩১৫ : বমানন্দ ২৫২
বাজসূয় যজ্ঞ ১৭৪
বাতিখোবা ৪১
বামচন্দ্র ২৫৫ : বামচবণ ২২৫, ২৫৬
বামনাথ ২৫০ : বামনাবায়ণ ২৬৬
বামপতি ১১৩
বামবিজয় ৮৯, ১৬৮, ১৭২, ১৮৮
বামমালিকা ২০৫ : বামমিশ্র ২৬৭
বামসবস্বতী ৩৩, ১০০, ১১১, ২১৪

ৰামাইপণ্ডিত ৬৪ : ৰামায়ণ চন্দ্রিকা ৮৬
ৰাসঝুমুৰা ১৮৮, ২০৪ : বিপুঞ্জয় ৩০৮
ৰুক্মিণীহৰণ কাব্য ১৩২,১৫৬-৫৭, ১৬৫;
-অঙ্ক ১৭০-৭২
ৰুচিনাথ ২৬২ : ৰুদ্রকন্দলী ৭৮
ৰুদ্র যামল ২৬২ : লম্বোদৰ ৩৪২
লৱকুশ ৭৪, ৭৬, ৮৬
লক্ষ্মীনাথ ৩২৯-৩২ : লিঙ্গপুৰাণ ১৩২
লীলাৱতী ১০১,২৯০
শঙ্কলাদিৰ ৭২ : শঙ্খচূড় ২৫৮
শিয়াল গোসাঁই ১১৩ : শিষ্ট ভট্ট ২৫৭
শুভঙ্কৰ ২৬৫ : শুভনাথ ২৫৯
শূন্যপুৰাণ ৬৪-৬৫,১০৪
শেষ দশম ১৩১, ২১১
শৈলধৰ ৩৪১ : শ্রীধৰ ২২৩
শ্রীনাথ দ্বিজ ২৬০ : -দুৰৰা ২৭৬
শ্রীৰামকীৰ্ত্তন ১০২ : শ্রীশঙ্কৰদেৱ ৬৭-৬৮, ৮০-৮৬, ৮৯, ৯৪, ৯৭-১০০, ১০৫-০৬, ১১৩-৭৮, ১৮১-২০৫,
শ্রীহস্তমুক্তাৱলী ২৬৫
ষষ্ঠকন্ধ ১৫৯, ১৬১, ২১২
ষষ্ঠীবৰ ১০৮ : সঞ্জয় ১০৮, ১১১,
সত্যনাথ ৩৪৪
সন্ত মুক্তাৱলী ২০৫ ; -ৰত্নসাৰ ২৫২
সহস্র নাম ১৩৭, ২২০-২১
স্যমন্তহৰণ ১৫১ : সাত্বতন্ত্র ৩৯
সাৰ্বভৌম ১১৬, ২২৩
সীতা স্বয়ম্বৰ ১৩৪ : সুকনান্নী ১০৬-০৭
সুকবিশেখৰ ২২০ : সুকুমাৰ ২৬১
সূৰ্যখড়ি ২৬৪ : সূৰ্যকুমাৰ ৩৪১
হৰগৌৰী ২৬৫ : হৰিবংশ ১৩২
হৰিশ্চন্দ্র ১৫৫-৫৭
হৰিহৰ ৭৩, ৭৫, ১১১
হস্তী বিদ্যাৰ্ণৱ ২৬, ৬৬
হৰকান্ত ২৯৬ : হিতেশ্বৰ ৩৩৬
হৃদয়ানন্দ ১০২, ২৪৫
হেমগোস্বামী ৩৩২-৩৪ ; -বৰুৱা ৩০৩-০
-সৰস্বতী ৬৯,৭২-৭৬ : ক্ষুদ্র স্বৰ্গখণ্ড ২২৩

( ব্যৱহৃত অঙ্কবোৰ পিঠিৰ সংখ্যাসূচক )

"অসমীয়া সাহিত্যৰ চমু কালক্রমণিকা"—শ্রীশৰতমঙ্গল নেওগ সঙ্কলিত।

"অক্ষৰানুক্রমিক অধিক আৱশ্যকীয় নাম-সূচী"—নেওগ শ্রীজীৱনমধুৰি আৰু শ্রীহেমন্তমঙ্গল সঙ্কলিত।